# NSD NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 10-APR-2026
**Time :** 1910 HRS

## *Assamese Evening Bulletin*
## Headlines
**-------------------**

০০০০০

১। অসম, কেৰালাম আৰু পুডুচেৰীত এইবাৰ সৰ্বাধিক মহিলা ভোটদাতাই গণতান্ত্রিক অধিকাৰ সাব্যস্ত কৰে বুলি নিৰ্বাচন আয়োগৰ তথ্যত প্রকাশ পাইছে।

২। ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে আজি নতুনকৈ মনোনীত সদস্য হৰিবংশক শপতবাক্য পাঠ কৰোৱায়।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি জাপানৰ বিদেশ মন্ত্ৰীৰ সৈতে টেলিফোনিক বাৰ্তালাপ কৰে।

৪। পশ্চিমবংগৰ দ্বিতীয় পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰাজস্থান ৰয়েলছ্, ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

অসম, কেৰালাম আৰু কেন্দ্ৰীয়শাসিত অঞ্চল পুডুচেৰীত কালি বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈ যায়। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি, অসম, কেৰালাম আৰু পুডুচেৰীত এইবাৰ সৰ্বাধিক মহিলা ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। অসমত ৮৬ দশমিক ৫-০ শতাংশ মহিলাই ভোটৰ অধিকাৰ সাব্যস্ত কৰাৰ বিপৰীতে কেৰালামত ৮১ দশমিক ১-৯ আৰু পুডুচেৰীত ৯১ দশমিক ৪-০ মহিলা ভোটদাতাই ভোটদান কৰে।

ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত কালি ভোটদান প্ৰক্ৰিয়া সফলভাৱে সম্পন্ন হোৱাৰ পাছত ইভিএম আৰু ভিভিপেটসমূহ সংশ্লিষ্ট জিলাসমূহৰ বাবে স্থাপন কৰা ষ্ট্ৰং ৰূমত কটকটীয়া নিৰাপত্তাৰ মাজত ৰখা হৈছে।

কেৰালমৰ ১৪০টা সমষ্টিৰ বাবে ৮৮৩ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছিল। ৰাজ্যখনৰ ২ কোটি ৭১ লাখ ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰে। আনহাতে, পুডুচেৰীৰ ৩০টা বিধানসভা সমষ্টিত ২৯৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ কৰিছিল।

মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে এই গণতান্ত্ৰিক প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰি শান্তিপূৰ্ণভাৱে আৰু সুচাৰুৰূপে নিৰ্বাচন অনুষ্ঠিত কৰাত সহযোগিতা আগবঢ়োৱাৰ বাবে সকলো নাগৰিককৈ কৃতজ্ঞতা

প্ৰকাশ কৰিছে। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ ক্ষেত্ৰত বিৰামহীনভাৱে কাম কৰা পোলিং বিষয়া, নিৰাপত্তা বাহিনী তথা সকলো অংশীদাৰৰ প্ৰচেষ্টাৰ শলাগ লয়।

ooooo

ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে আজি নতুনকৈ মনোনীত সদস্য হৰিবংশক শপতবাক্য পাঠ কৰোৱায়। তেওঁ হিন্দী ভাষাত শপত গ্ৰহণ কৰে। শপত গ্ৰহণ অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী নিৰ্মলা সীতাৰমন, জে পি নাড্ডা, অৰ্জুন ৰাম মেঘৱাল আৰু ৰামনাথ ঠাকুৰ উপস্থিত থাকে।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ৰাজ্যসভাৰ প্ৰাক্তন উপ-সভাপতি হৰিবংশক ৰাজ্যসভালৈ মনোনীত হোৱাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। শ্ৰীমোদীয়ে কয় যে শ্ৰীহৰিবংশে সাংবাদিকতা আৰু জনজীৱনত অমূল্য অৱদান আগবঢ়াইছে। গভীৰ চিন্তা আৰু দূৰদৰ্শিতাৰে শ্ৰীহৰিবংশে বিগত কেইবছৰমানত সদনৰ কাৰ্যবিধি সমৃদ্ধ কৰিছে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিহাৰৰ মুখ্যমন্ত্ৰী তথা জে ডি ইউৰ ৰাষ্ট্ৰীয় সভাপতি নীতিশ কুমাৰক ৰাজ্যসভাৰ সদস্য হিচাপে শপত গ্ৰহণ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে নীতিশ কুমাৰ দেশৰ এগৰাকী অন্যতম অভিজ্ঞ নেতা আৰু সুশাসনৰ প্ৰতি তেওঁৰ দায়বদ্ধতাক সকলোৱে শলাগ লৈছে। বিহাৰৰ উন্নয়নত উল্লেখযোগ্য অৱদান আগবঢ়োৱাৰ বাবে শ্ৰীমোদীয়ে তেওঁৰ শলাগ লোৱাৰ লগতে সংসদত তেওঁক পুনৰবাৰ দেখা পোৱাৰ বাবে আনন্দ প্ৰকাশ কৰে। শ্ৰীকুমাৰৰ দীৰ্ঘদিনীয়া ৰাজনৈতিক অভিজ্ঞতাই সংসদৰ মৰ্যদা অধিক বৃদ্ধি কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

ooooo

ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে আজি নতুনকৈ মনোনীত সদস্য হৰিবংশক শপতবাক্য পাঠ কৰোৱায়। তেওঁ হিন্দী ভাষাত শপত গ্ৰহণ কৰে। শপত গ্ৰহণ অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী নিৰ্মলা সীতাৰমন, জে পি নাড্ডা, অৰ্জুন ৰাম মেঘৱাল আৰু ৰামনাথ ঠাকুৰ উপস্থিত থাকে।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ৰাজ্যসভাৰ প্ৰাক্তন উপ-সভাপতি হৰিবংশক ৰাজ্যসভালৈ মনোনীত হোৱাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। শ্ৰীমোদীয়ে কয় যে শ্ৰীহৰিবংশে সাংবাদিকতা আৰু জনজীৱনত অমূল্য অৱদান আগবঢ়াইছে। গভীৰ চিন্তা আৰু দূৰদৰ্শিতাৰে শ্ৰীহৰিবংশে বিগত কেইবছৰমানত সদনৰ কাৰ্যবিধি সমৃদ্ধ কৰিছে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি জাপানৰ বিদেশ মন্ত্ৰী ট'ছিমিট্‌ছু মোটেগিৰ সৈতে টেলিফোনিক বাৰ্তালাপ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কয় যে দুয়োপক্ষই হৰমুজ প্ৰণালীৰ মাজেৰে আন্তঃৰাষ্ট্ৰীয় জাহাজ চলাচলকে ধৰি পশ্চিম এছিয়াৰ উন্নয়নৰ বিষয়ে আলোচনা কৰে। ড০ জয়শংকৰে পশ্চিম এছিয়াৰ সংঘাতত প্ৰাণ হেৰুওৱা ভাৰতীয় লোকৰ বাবে জাপানৰ মন্ত্ৰীগৰাকীয়ে শোক প্ৰকাশ কৰা সন্দৰ্ভতো মত প্ৰকাশ কৰে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে মৰিছাছত অনুষ্ঠিত নৱম ভাৰতীয় মহাসাগৰ সন্মিলনত অংশগ্ৰহণ কৰি আজি বিভিন্ন দেশৰ নেতাসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে মৰিছাছৰ ৰাষ্ট্ৰপতি ধৰমবীৰ গোখুলক আজি সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কয় যে দুয়োপক্ষৰ মাজত হোৱা কথা-বতৰাত দেশ দুখনৰ মাজত থকা বন্ধুত্বপূৰ্ণ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ

প্ৰতিশ্ৰুতি প্ৰতিফলিত হয়। ড০ জয়শংকৰে লগতে মৰিছাছৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী আৰু মিলিটেণ্ট ছ'চিয়েলিষ্ট ম'ভমেণ্ট পাৰ্টীৰ নেতা প্ৰবীন্দ কুমাৰ জুগনাওথক সাক্ষাৎ কৰে। তেওঁ লগতে নেতাগৰাকীৰ ভাৰত আৰু মৰিছাছৰ মাজৰ সম্পৰ্কৰ ক্ষেত্ৰত থকা দায়বদ্ধতাৰ শলাগ লয়। ড০ জয়শংকৰে লগতে চিচিলিৰ বিদেশ মন্ত্ৰীকো সাক্ষাৎ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমানৰ অৰ্থনৈতিক প্ৰত্যাহ্বানসমূহ সমাধান কৰাৰ ক্ষেত্ৰত ভাৰতে চিচিলিক সহায় কৰিব। তেওঁ লগতে ভূটানৰ বিদেশ মন্ত্ৰীকো সাক্ষাৎ কৰি দুয়োখন দেশৰ মাজত থকা একক বন্ধুত্বপূৰ্ণ সম্পৰ্ক সমৃদ্ধিশালী তথা সুদৃঢ় কৰি তোলা সন্দৰ্ভত আলোচনা কৰে।

০০০০০

পশ্চিমবংগৰ দ্বিতীয় পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হৈছে। দ্বিতীয় পৰ্যায়ত ১৪২ খন আসনৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ কালি অন্ত পৰে। অহা ১৩ এপ্ৰিল মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। বিজেপিৰ জ্যেষ্ঠ নেতা শুভেন্দু অধিকাৰী, তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীকে ধৰি অনান্য নেতাসকলে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। অহা ২৯ এপ্ৰিলত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাজ্যখনত কালি প্ৰথম পৰ্যায়ৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন আছিল। ২৩ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ১৫২ খন আসনৰ বাবে এহেজাৰ ৫৮৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে।

০০০০০

ঝাৰখণ্ডত আজি প্ৰায় ৩০৩ কোটি টকা ব্যয়সাপেক্ষ দুটা গুৰুত্বপূৰ্ণ পথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়। এই প্ৰকল্পসমূহৰ লক্ষ্য হ'ল যান-জঁটৰ সমস্যা লাঘৱ কৰা আৰু পৰিবহন ব্যৱস্থাৰ আধুনিকীকৰণ কৰা। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰী সঞ্জয় শেঠে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীক কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে ভাৰতত আধুনিক ঘাইপথৰ নেটৱৰ্কৰ দ্ৰুত গতিত সম্প্ৰসাৰণ ঘটিছে। ২০৪৭ চনৰ ভিতৰত পথ নিৰ্মাণৰ ক্ষেত্ৰত বিশ্বৰ আগশাৰীৰ দেশ হিচাপে ভাৰতে নিজৰ স্থান দখল কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ৰাজ্যসভাৰ সাংসদ মহুৱা মাঝিয়ে কয় যে দেশজুৰি ঘাইপথৰ সম্প্ৰসাৰণে নতুন কৰ্মসংস্থাপনৰ সুযোগ বৃদ্ধি কৰিব আৰু মানৰ সৰবৰাহ ৰোধ কৰাত সহায় কৰাৰ লগতে মহিলা সবলীকৰণৰ ক্ষেত্ৰতো উল্লেখযোগ্য বৰঙণি আগবঢ়াব।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হয়। এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত বজালীৰ পাটাছাৰকুছি শংকৰদেৱ শিশু নিকেতনৰ জ্যোতিৰ্ময় দাসে ৯৮ দশমিক ৫ শতাংশ নম্বৰেৰে ৰাজ্যৰ ভিতৰত প্ৰথম স্থান লাভ কৰিছে। বজালী বিধানসভা সমষ্টিৰ এন ডি এ মিত্ৰজোটৰ প্ৰাৰ্থী তথা অসম গণ পৰিষদৰ সাধাৰণ সম্পাদক ধৰ্মেশ্বৰ ৰয়ে প্ৰথম স্থান লাভ কৰা জ্যোতিৰ্ময় দাসক অহা দুটা বছৰৰ বাবে অধ্যয়নৰ সমগ্ৰ খৰচ বহন কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে।

বিশ্বনাথৰ হাৰাজানৰ অম্বিকাগিৰি ৰায় চৌধুৰী জাতীয় বিদ্যালয়ৰ ছাত্ৰী আকাংক্ষা ভূঞাই দ্বিতীয় স্থান, ডিব্ৰুগড়ৰ লিটিল ফ্লাৱাৰ হায়াৰ চেকেণ্ডাৰী স্কুলৰ জিয়া ফাৰাহ ইছলাম তৃতীয় আৰু নলবাৰীৰ লিটিল ফ্লাৱাৰ স্কুলৰ সুৰজিৎ আখতাৰে চতুৰ্থ স্থান লাভ কৰিছে।

চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত মুঠ ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল।

০০০০০

পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কয় যে বৰ্তমান সময়ত নিৰ্মাণ উদ্যোগটো এটা উদ্ভাৱন আৰু প্ৰযুক্তি চালিত উদ্যোগলৈ বিকশাই তোলা হৈছে। নতুন দিল্লীত অনুষ্ঠিত হোৱা ১৭ সংখ্যক নিৰ্মাণ উদ্যোগ উন্নয়ন পৰিষদ বিশ্বকৰ্মা বঁটা ২০২৬ অনুষ্ঠানত ভাষণ প্ৰদান কৰি শ্ৰী গাডকাৰীয়ে কয় যে চৰকাৰে সমগ্ৰ দেশতে নিৰ্মাণ খণ্ডৰ মানদণ্ড উন্নত কৰাৰ লগতে ইয়াৰ লগত জড়িত ব্যয়সমূহ হ্ৰাস কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে । তেওঁ ভাৰতৰ নিৰ্মাণ আৰু আন্তঃগাঁথনি খণ্ডক দেশৰ অৰ্থনৈতিক বিকাশৰ সম্ভাৱনীয় আহিলা হিচাবে ব্যৱহাৰ কৰাৰ ওপৰত আলোকপাত কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰাত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ, ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। ৰাজস্থান ৰয়েলছ গুৱাহাটীত অংশ লোৱা এইবাৰৰ দুয়োখন খেলতে জয়ী হৈছে। দলটো বৰ্তমানলৈকে খেলা তিনিওখন খেলত জয়লাভ কৰি পইণ্ট তালিকাৰ শীৰ্ষত আছে।

ইপিনে, যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে কলকাতা নাইট ৰাইডাৰ্ছক তিনি উইকেটত পৰাস্ত কৰে।

০০০০০

সমাপ্ত